**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 06-04-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

# HEADLINES

**::::::::::::::::::**

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে এই সপ্তাহত সংসদত গৃহীত ৱক্‌ফ সংশোধনী বিধেয়ক ২০২৫ত অনুমোদন জনাইছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি অনুৰা কুমাৰা দিশানায়কে আজি অনুৰাধাপুৰাত এটা গুৰুত্বপূৰ্ণ ৰে'ল প্ৰকল্প উদ্বোধন কৰিব।

৩। কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে **এখন দেশ এটা নিৰ্বাচন ব্যৱস্থা** ৰূপায়ণ হ'লে দেশৰ বিকাশ হাৰ ডেৰ শতাংশ বৃদ্ধি পাব বুলি প্ৰকাশ কৰিছে।

৪। দেশৰ বিভিন্ন অংশত আজি ধৰ্মীয় ৰীতি-নীতি আৰু উৎসাহ উদ্দীপনাৰে ৰাম নৱমী পালন কৰা হৈছে।

***আৰু***

৫। ৰাজস্থান ৰয়েলছে যোৱা নিশা আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত পাঞ্জাৱ কিংছক ৫০ ৰানত পৰাস্ত কৰে।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে এই সপ্তাহত সংসদত গৃহীত ৱক্‌ফ সংশোধনী বিধেয়ক ২০২৫ত অনুমোদন জনাইছে। ইয়াৰ লগে লগে বিধায়কখন আইনত পৰিণত হৈছে।

লোকসভাই বৃহস্পতিবাৰে বিধেয়কখন গ্ৰহণ কৰিছিল। নিম্ন সদনত ২৮৮ গৰাকী সদস্যই বিধেয়কখনৰ সপক্ষে আৰু ২৩২ গৰাকী সদস্যই বিপক্ষে ভোট দিছিল। ৰাজ্যসভাত ৱক্‌ফ সংশোধনী বিধেয়ক ২০২৫ শুকুৰবাৰে গৃহীত হৈছিল। উচ্চ সদনত ১২৮ গৰাকী সদস্যই বিধেয়কখনৰ সপক্ষে আৰু ৯৫ গৰাকীয়ে বিপক্ষে ভোটদান কৰিছিল। ৰাষ্ট্ৰপতিয়ে লগতে মুছলমান ৱক্‌ফ বাতিলকৰণ বিধেয়ক ২০২৫তো অনুমোদন দিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি অনুৰা কুমাৰা দিশানায়কে আজি শ্ৰীলংকাৰ অনুৰাধাপুৰাত এটা গুৰুত্বপূৰ্ণ ৰেল প্ৰকল্প উদ্বোধন কৰিব। আমাৰ সংবাদদাতাই জনোৱামতে আজি উদ্বোধন কৰিবলগীয়া ৰেল লাইন প্ৰকল্পটো শ্ৰীলংকাৰ অৰ্থনৈতিক উন্নয়নৰ বাবে অতি গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে। 'মহো-ওমন্থাই' ৰে'লপথ হিচাপে পৰিচিত এই ৰেলপথচোৱাই দেশখনৰ উত্তৰ অংশক

ৰাজধানী কলম্বোৰ সৈতে সংযোগ কৰিব। এই প্ৰকল্পৰ বাবে ভাৰতে শ্ৰীলংকাক **৯১.২৭** মিলিয়ন ডলাৰৰ আৰ্থিক সাহাৰ্য আগবঢ়াইছে। তদুপৰি এই ৰেলপথচোৱাৰ মহো- অনুৰাধাপুৰা অংশত উন্নত সংকেত ব্যৱস্থাৰ আধাৰশিলা স্থাপন কৰা হ'ব। এই ব্যৱস্থাৰ ফলত ৰে'ল পৰিচালনাৰ পথ অধিক সুৰক্ষিত আৰু অধিক কাৰ্যক্ষম হ'ব বুলি আশা কৰা গৈছে। মুকলি হ'ব। ভাৰতে এই প্ৰকল্পৰ বাবে **১** কোটি ৪৯ লাখ মাৰ্কিন ডলাৰৰ সাহাৰ্য আগবঢ়াইছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাম নৱমী উপলক্ষে তামিলনাডুৰ পম্বন ৰে'ল দলং উদ্বোধন কৰিব। এই দলংখনে ৰামেশ্বৰমক মূল ভূমিৰ সৈতে সংযুক্ত কৰিব। দুই কিলোমিটাৰ দৈৰ্ঘ্যৰ এই দলংখন স্থাপত্যবিদ্যাৰ অভূতপূৰ্ব নিদৰ্শনস্বৰূপ আৰু দেশৰ প্ৰথমখন ভাৰ্টিকেল লীফ্‌ট সামুদ্ৰিক দলং হ'ব। প্ৰধানমন্ত্ৰী মোদী আজি দুপৰীয়া শ্ৰীলংকা ভ্ৰমণৰ পৰা উভতি আহি এই দলংখন মুকলি কৰিব।

ooooo

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে **এখন দেশ এটা নিৰ্বাচন ব্যৱস্থা** ৰূপায়ণ হ'লে দেশৰ বিকাশ হাৰ ডেৰ শতাংশ বৃদ্ধি পাব বুলি প্ৰকাশ কৰিছে। চেন্নাইত কালি এখন আলোচনাচক্ৰত ভাষণ দি বিত্তমন্ত্ৰীগৰাকীয়ে কয়, যে এই ব্যৱস্থা ৰূপায়ণৰ ফলত দেশৰ মুঠ ঘৰুৱা উৎপাদনো চাৰে চাৰি লাখ কোটি টকা বৃদ্ধি পাব। তেওঁ কয়, যে ২০১৯ চনৰ লোকসভা নিৰ্বাচনৰ বাবে আনুমানিক এক লাখ কোটি টকা ব্যয় হৈছিল আৰু একেলগে নিৰ্বাচন অনুষ্ঠিত কৰিলে প্ৰায় ১২ হাজাৰ কোটি টকা ৰাহি কৰিব পৰা গ'লহেঁতেন। একেলগে লোকসভা আৰু বিধানসভা নিৰ্বাচন অনুষ্ঠিত কৰিলে ভোটদানৰ হাৰো বৃদ্ধি পাব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। বিত্তমন্ত্ৰীগৰাকীয়ে কয়, যে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে ২০২৯ চনৰ পাছতহে একেলগে নিৰ্বাচন অনুষ্ঠিত কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিব।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু পৰ্টুগাল আৰু শ্লোভাকিয়াৰ চাৰি দিনীয়া ভ্ৰমণসূচীৰে কাইলৈ ৰাওনা হ'ব। পৰ্টুগাল ভ্ৰমণৰ সময়ছোৱাত ৰাষ্ট্ৰপতি মুৰ্মুৱে দেশখনৰ ৰাষ্ট্ৰপতি মাৰ্ছেল' ৰেবেল' ডি ছুচাক সাক্ষাৎ কৰিব আৰু প্ৰতিনিধি পৰ্যায়ত আলোচনাত মিলিত হ'ব। তেওঁ লগতে দেশখনৰ প্ৰধানমন্ত্ৰী লুইছ মণ্টেনেগ্ৰো আৰু সংসদ নেচনেল এছেম্বলিৰ অধ্যক্ষ জোছ পেড্ৰো অগুইৰ-ব্ৰেংকোক সাক্ষাৎ কৰিব।

শ্লোভাকিয়া ভ্ৰমণকালত ৰাষ্ট্ৰপতি মুৰ্মুৱে দেশখনৰ ৰাষ্ট্ৰপতি পিটাৰ পেলেগ্ৰীনি আৰু প্ৰধানমন্ত্ৰী ৰবাৰ্ট ফিকোৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি জম্মু-কাশ্মীৰত সুৰক্ষা পৰিস্থিতিৰ পৰ্যালোচনা কৰিব আৰু অঞ্চলটোত নিয়োজিত সুৰক্ষা কৰ্মীসকলৰ সৈতে মত বিনিময় কৰিব। তিনি দিনীয়া ভ্ৰমণসূচীৰে জম্মু-কাশ্মীৰলৈ যোৱা গৃহমন্ত্ৰীগৰাকীয়ে ভ্ৰমণকালত জম্মুৰ বিজেপিৰ বিধায়কসকলক সাক্ষাৎ কৰিব। তেওঁ লগতে একীকৃত মুখ্য কাৰ্যালয় আৰু বাৰ্ষিক অমৰনাথ যাত্ৰাৰ সৈতে জড়িত দুখন সুৰক্ষা পৰ্যালোচনা বৈঠকতো অধ্যক্ষতা কৰিব।

০০০০০

দেশৰ বিভিন্ন অংশত আজি ধৰ্মীয় ৰীতি-নীতি আৰু উৎসাহ উদ্দীপনাৰে ৰাম নৱমী পালন কৰা হৈছে। এই উৎসৱ ভগৱান বিষ্ণুৰ সপ্তম অৱতাৰ ভগৱান ৰামৰ জন্মদিনৰ সৈতে জড়িত। ৰাম নৱমীৰ পূৰ্বে ৯ দিন উপবাস ৰখা হয়।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৰাম নৱমী উপলক্ষে দেশবাসীক ওলগ জনাইছে। ৰাষ্ট্ৰপতিগৰাকীয়ে এটা বাৰ্তাযোগে কৈছে, যে ভগৱান ৰামৰ জীৱনে আমাৰ সত্য, ধৰ্ম আৰু ন্যায়ৰ পথ অনুসৰণ কৰাৰ অনুপ্ৰেৰণা দিয়ে। এই উৎসৱে নিষ্ঠা আৰু উৎসৰ্গাৰ মনোভাৱেৰে মানৱ জাতিৰ সেৱাৰ বাৰ্তা কঢ়িয়াই বুলিও ৰাষ্ট্ৰপতি মুৰ্মুৱে প্ৰকাশ কৰে। তেওঁ কয়, যে এই উৎসৱে জনসাধাৰণক ত্যাগ আৰু নিস্বাৰ্থ প্ৰেমৰ প্ৰমূল্যৰাজি আকোৱালি ল'বলৈ উৎসাহিত কৰে।

০০০০০

কেন্দ্ৰীয় গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ, আৰু নতুন আৰু নবীকৰণযোগ্য শক্তি মন্ত্ৰী প্ৰহলাদ যোশীয়ে ঘোষণা কৰিছে যে ২০২৩-২৪ বিত্তীয় বৰ্ষত ভাৰতে ২২ বিলিয়ন মাৰ্কিন ডলাৰৰ ৰত্ন আৰু গহনা ৰপ্তানি কৰিছে। সৰ্বভাৰতীয় ৰত্ন আৰু গহনা পৰিষদ, চমুকৈ জি জে এচৰ উদ্যোগত কালি মুম্বাইত অনুষ্ঠিত হোৱা ইণ্ডিয়া জেম এণ্ড জুৱেলাৰী শ্ব', জিজেএছ ২০২৫ত ভাষণ দি তেওঁ এই কথা ঘোষণা কৰে । মন্ত্ৰীগৰাকীয়ে কয় যে ২০২৭ চনৰ ভিতৰত ৰপ্তানিৰ পৰিমান ১০০ বিলিয়ন মাৰ্কিন ডলাৰলৈ বৃদ্ধি কৰাৰ লক্ষ্য গ্ৰহণ কৰা হৈছে। ভাষণত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ভাৰতৰ ৰত্ন আৰু গহনা খণ্ডৰ ঐতিহাসিক আৰু অৰ্থনৈতিক তাৎপৰ্যৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে এই খণ্ডই দেশৰ মুঠ ঘৰুৱা উৎপাদনলৈ প্ৰায় সাত শতাংশ অৰিহণা যোগাইছে আৰু প্ৰায় পাঁচ নিযুত লোকক কৰ্মসংস্থাপন প্ৰদান কৰিছে। গ্ৰাহক পৰিক্ৰমা বিভাগৰ মন্ত্ৰীগৰাকীয়ে এই খণ্ডটোক আৰু অধিক শক্তিশালী কৰাৰ বাবে চৰকাৰে গ্ৰহণ কৰা কেইবাটাও পদক্ষেপৰ কথা উল্লেখ কৰে ।

০০০০০

ম্যানমাৰৰ ভূমিকম্পত নিহত লোকৰ সংখ্যা তিনি হাজাৰ ৩৫৪ লৈ বৃদ্ধি পাইছে। ভূমিকম্পৰ পাছৰে পৰা ২০০ ৰো অধিক লোক সন্ধানহীন হৈ আছে। ভূমিকম্পৰ অভিকেন্দ্ৰৰ সমাপৰ মাণ্ডলেত উপস্থিত হোৱা ৰাষ্ট্ৰসংঘৰ সাহায্য মুৰববী টম ফ্লেচৰে সাহায্য প্ৰচেষ্টাৰ বাবে মানৱীয় আৰু সমূহীয়া সংস্থাসমূহক ভূয়সী প্ৰশংসা কৰিছে। তেওঁ কয়, যে ৰাষ্ট্ৰসংঘ সহায়ৰ বাবে প্ৰস্তুত আৰু বিশ্বই ম্যানমাৰৰ জনসাধাৰণৰ সৈতে দৃঢ়তাৰে থিয় দিয়া উচিত। ভাৰত আৰু অন্য দেশৰ উদ্ধাৰকাৰী দলে সাহায্য অভিযানত সক্ৰীয়ভাৱে সহযোগিতা আগবঢ়াই আছে। ভাৰতে ব্ৰহ্মা অভিযানৰ অধীনত শনিবাৰে ম্যানমাৰলৈ অতিৰিক্ত ৪৪২ টন খাদ্য সামগ্ৰী প্ৰেৰণ কৰিছে। সামগ্ৰীখিনি কঢ়িয়াই অনা

ভাৰতীয় নৌ সেনাৰ ঘৰিয়াল নামৰ জাহাজখন থিলাৱা বন্দৰত উপস্থিত হৈছে আৰু ম্যানমাৰত থকা ভাৰতীয় ৰাষ্ট্ৰদূত অভয় ঠাকুৰে য়াংগুনৰ মুখ্যমন্ত্ৰী য়ু ছোই থিনক সামগ্ৰীখিনি আনুষ্ঠানিকভাৱে প্ৰদান কৰিছে।

০০০০০

ৰাজস্থান ৰয়েলছে যোৱা নিশা চণ্ডিগড়ত অনুষ্ঠিত আই পি এল  ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত পাঞ্জাৰ কিংছক ৫০ ৰানত পৰাস্ত কৰে। খেলখনত ৰাজস্থান ৰয়েলচে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৪টা উইকেট হেৰুৱাই ২০৫ ৰাণ কৰে। ৰাজস্থানৰ হৈ যশস্বী জয়ছোৱালে ৬৭ ৰাণৰ বৰঙণি আগবঢ়ায় আৰু ৰিয়ান পৰাগে ৪৩ ৰাণ কৰি আউট নোহোৱাকৈ থাকে। পাঞ্জাবৰ লাকী ফাৰ্গুছনে ২টা উইকেট দখল কৰে। প্ৰত্যুত্তৰত পাঞ্জাৰ কিংছে ২০ অভাৰত ৯ টা উইকেট হেৰুৱাই ১৫৫ ৰাণহে কৰিবলৈ সমৰ্থ হয়। পাঞ্জাব কিংছৰ হৈ নেহল ৱাধেৰাই সংঘৰ্ষপূৰ্ণ ৬২ ৰান কৰে। ৰাজস্থানৰ হৈ জোফ্ৰা আৰ্ছাৰে ৩টা উইকেট লাভ কৰে। আৰ্ছাৰক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

ইয়াৰ পূৰ্বে চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত দেলহী কেপিটেলছে -চেন্নাই চুপাৰ কিংছক ২৫ ৰাণত পৰাস্ত কৰে। চেন্নাই চুপাৰ কিংছে ১৮৪ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ২০ অভাৰত ৫ উইকেটৰ বিনিময়ত ১৫৮ ৰাণহে কৰিবলৈ সমৰ্থ হয়। ইয়াৰ আগেয়ে দেলহী কেপিটেলছে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৬ টা উইকেট হেৰুৱাই ১৮৩ ৰাণ সংগ্ৰহ কৰে।

প্ৰতিযোগিতাত আজি হায়দৰাবাদত হ'বলগীয়া এখন খেলত গুজৰাট টাইটানছ্ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব। গুজৰাটে বৰ্তমানলৈ খেলা তিনিখন খেলৰ দুখনত জয়লাভ কৰি প্ৰতিযোগিতাৰ পইণ্ট তালিকাত তৃতীয় স্থান আছে। হায়দৰাবাদে ৪ খন খেলৰ ভিতৰত  এখন খেল জয়লাভ কৰি পইণ্ট তালিকাৰ একেবাৰে শেষত আছে।

০০০০০

সমাপ্ত